*[প্ৰতিবেদনযোগ্য]*

**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**ফৌজদাৰী আপীল ক্ষেত্ৰাধিকাৰ**

**<u>২০০৬-ৰ ফৌজদাৰী আবেদন সংখ্যা ৮৬৯</u>**

**উত্তম চক্ৰৱৰ্তী ...আবেদনকাৰী**

**বনাম.**

**অসম চৰকাৰ ...উত্তৰদাতা**

**লগতে**

**<u>২০০৬-ৰ ফৌজদাৰী আবেদন সংখ্যা ৮৭১</u>**

**<u>আদেশ</u>**

১) এই ৰায়দানে ২০০৬-ৰ ফৌজদাৰী আপীল সংখ্যা ৮৭১ আৰু ৮৬৯-ৰ নিষ্পত্তি কৰিব।

২) তথ্যসমূহ তলত উল্লেখ কৰা হৈছে:

আবেদনকাৰীসকল, অৰ্থাৎ মিশ্যন শুক্লবৈদ্য আৰু উত্তম চক্ৰৱৰ্তী বন্ধু আছিল। অৱসৰপ্ৰাপ্ত সেনাবাহিনীৰ জোৱান মিশ্যন শুক্লবৈদ্যই মৃত গীতা দাসৰ সৈতে

বিবাহপাশত আবদ্ধ হৈছিল। দম্পত্তিহালৰ মাৰ্জন (অভিযোজন পক্ষৰ ৬ নং সাক্ষী) নামে এটি সন্তান আছিল যি ঘটনাটো সংঘটিত হোৱাৰ সময়ত ৪ বা ৫ বছৰীয়া আছিল। মৃতক সেইসময়ত গৰ্ভৱতীও আছিল আৰু তেওঁৰ পেটত এটা প্ৰায় ৮ মহীয়া গৰ্ভস্থ শিশু আছিল। যিহেতু মৃতক এগৰাকী বিদ্যালয় শিক্ষক ৰূপে নিয়োজিত হৈ আছিল, সেয়েহে দম্পত্তীহালে পঞ্চমী শুক্লবৈদ্য (অভিযোজন পক্ষৰ ১ নং সাক্ষী) নামৰ এগৰাকী ১৬ বছৰীয়া গৃহকৰ্মীক নিয়োগ কৰিছিল আৰু তেওঁ দম্পত্তীহালৰ ঘৰতে আছিল। অভিযোজন পক্ষৰ ভাষ্য অনুসৰি মিশ্যন শুক্লবৈদ্য আৰু অভিযোজন পক্ষৰ ১ নং সাক্ষীৰ মাজত এক অবৈধ সম্পৰ্ক গঢ় লৈ উঠিছিল আৰু যেতিয়া মৃতকে এই বিষয়ে জানিবলৈ পায়, তেতিয়া দম্পত্তীহালৰ মাজত প্ৰায়েই দন্দ-খৰিয়াল হৈছিল। অভিযোজন পক্ষৰ ভাষ্য অনুসৰি ১৩ আৰু ১৪ এপ্ৰিলৰ মাজৰ নিশাটোত প্ৰায় ২ মান বজাত লালা চহৰৰ বাসিন্দা ৰাধু পল (অভিযোজন পক্ষৰ ৪ নং সাক্ষী)-এ ৫-৬ গৰাকী ব্যক্তিৰ সৈতে মৃতকৰ মাতৃ নিয়তি দাস (অভিযোজন পক্ষৰ ১ নং সাক্ষী)-ৰ আব্দুল্লাপুৰস্থিত বাসগৃহলৈ গৈছিল আৰু তেওঁক কৈছিল যে তেওঁৰ জীয়েক অসুস্থ আৰু তেওঁলোকৰ সৈতে তেওঁক আৰক্ষী থানালৈ যাবলৈ কৈছিল। আৰক্ষী থানা পোৱাৰ পাছত অভিযোজন পক্ষৰ ১ নং সাক্ষীয়ে মিশ্যন শুক্লবৈদ্য আৰু পঞ্চমী শুক্লবৈদ্যক তাতে উপস্থিত থকা দেখা পালে আৰু তেওঁলোকৰ পৰা জানিব পাৰিলে যে তেওঁৰ জীয়েকৰ জুয়ে পুৰি আঘাতপ্ৰাপ্ত হৈ মৃত্যু হৈছে। তাৰপাছত তেওঁ নিশা প্ৰায় ২:৩০ মান বজাত এখন এজাহাৰ দাখিল কৰি জনায় যে তেওঁৰ জীয়েকৰ কেৰাছিন তেলৰ পৰা জ্বলি উঠা জুয়ে পুৰি মৃত্যু হৈছে, কিন্তু তেওঁ লগতে কয় যে তেওঁৰ জীয়েকক তেওঁৰ জীয়েকৰ গিৰীয়েকে হত্যা কৰিছে। তদন্তকালত এয়া জনা যায় যে মৃতকগৰাকীৰ মৃত্যুৰ সময়ত আচামী উত্তম চক্ৰৱৰ্তীও উপস্থিত আছিল। অভিযোজন পক্ষৰ ১ নং সাক্ষীৰ ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৪-ৰ অধীনতো সাক্ষ্য গ্ৰহণ কৰা হৈছিল

য'ত তেওঁ কৈছিল যে দুয়োগৰাকী আচামীয়েই হত্যাকাণ্ডৰ বাবে দায়ী আছিল যিহেতু মৃতকে তেওঁৰ লগত আচামী মিশ্যন শুক্লবৈদ্যৰ সম্পৰ্কৰ বিৰোধিতা কৰিছিল।

৩) তদন্ত সম্পূৰ্ণ হোৱাত আবেদনকাৰীসকলক হত্যাকাণ্ডৰ অভিযোগত বিচাৰাধীন কৰা হৈছিল। অভিযোজন পক্ষই মূলতঃ নিৰ্ভৰ কৰা সাক্ষীসমূহ আছিল অভিযোজন পক্ষৰ ৬ নং সাক্ষী মাৰ্জন শুক্লবৈদ্য, যাক সেই দুৰ্ভাগ্যজনক দিনটোৰ ঘটনাৱলীৰ প্ৰত্যক্ষদৰ্শী হিচাপে প্ৰক্ষেপ কৰা হৈছিল, ওপৰত উল্লেখ কৰা অভিযোজন পক্ষৰ ১ নং সাক্ষী পঞ্চমী শুক্লবৈদ্য, অভিযোজন পক্ষৰ ২ নং সাক্ষী কাৰ্যবাহী দণ্ডাধীশ মানস দাস, যিয়ে মৃতদেহৰ চুৰংহাল সম্পন্ন কৰিছিল আৰু মৃতকৰ দেহত এক বৃহং কটা আঘাত লক্ষ্য কৰিছিল, অভিযোজন পক্ষৰ ৪ নং সাক্ষী ৰাধু পল, যিয়ে কৈছিল যে তেওঁ দুয়োগৰাকী আচামীকে তেওঁৰ দোকানৰ সন্মুখত এক উত্তেজনাপূৰ্ণ আলোচনাত লিপ্ত হৈ থকা দেখিছিল আৰু যেতিয়া তেওঁ তেওঁলোকৰ কাষ চাপিছিল, তেতিয়া তেওঁলোকে আলোচনাৰ বিষয়টো সলনি কৰিছিল আৰু কোনো ব্যৱসায়িক বিষয়ৰ আলোচনা কৰিবলৈ আৰম্ভ কৰিছিল আৰু কিছুসময় পাছত এগৰাকী ছোৱালী ওলাই আহিছিল আৰু চিঞৰ বাখৰ কৰিছিল আৰু মিশ্যন শুক্লবৈদ্যক কৈছিল যে তেওঁৰ পত্নীৰ জুয়ে পুৰি আঘাতপ্ৰাপ্ত হৈ মৃত্যু ঘটিছিল, মৃতকৰ মাতৃ অভিযোজন পক্ষৰ ৬ নং সাক্ষী নিয়তি ৰাণী, যিয়ে তেওঁৰ জোঁৱাই আৰু অভিযোজন পক্ষৰ ১ নং সাক্ষীৰ মাজত অবৈধ সম্পৰ্ক থকা বুলি সাক্ষ্য প্ৰদান কৰিছিল, আৰু অভিযোজন পক্ষৰ ৭ নং সাক্ষী চিকিংসক খাইৰুজ জামান চৌধাৰী, যিয়ে মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰিছিল আৰু পেটত গুৰুতৰভাৱে কটা আঘাত প্ৰত্যক্ষ কৰিছিল যিয়ে সূচাইছিল যে গৰ্ভস্থ সন্তান কাটি উলিয়াই পেলোওৱা হৈছিল।

৪) বিচাৰ আদালতে সাক্ষ্যসমূহ বিবেচনা কৰি দুয়োগৰাকী আচামীকে ভা.দ.বি.-ৰ ধাৰা ৩০২-ৰ অধীনত অপৰাধী সাব্যস্ত কৰিছিল আৰু মিশ্যন শুক্লবৈদ্যক মৃত্যুদণ্ড দিয়া হৈছিল তথা উত্তম চক্ৰৱৰ্তীক আজীৱন কাৰাবাসেৰে দণ্ডিত কৰা হৈছিল। ইয়াৰ পাছত বিষয়টো ফৌজদাৰী মৃত্যুদণ্ড আদেশ সংখ্যা ৪/২০০৫ হিচাপে মৃত্যুদণ্ডৰ নিশ্চিতকৰণৰ বাবে উচ্চ ন্যায়ালয়লৈ প্ৰেৰণ কৰা হৈছিল আৰু আচামীৰ দ্বাৰা ফৌজদাৰী আবেদন সংখ্যা ২১২/২০০৫ দাখিল কৰা হৈছিল। উচ্চ ন্যায়ালয়ে বিতৰ্কিত ৰায়দানটোৰ দ্বাৰা মৃত্যুদণ্ডৰ আদেশ বাহাল ৰাখিছিল আৰু ফৌজদাৰী আবেদনখন খাৰিজ কৰিছিল। আদেশটোৰ নিশ্চিতকৰণ কৰোতে, খণ্ড বিচাৰপীঠখনে প্ৰকোপ বৃদ্ধি কৰা আৰু উপশমন কৰা পৰিস্থিতিসমূহ বিবেচনা কৰিছিল আৰু ৰায় দিছিল যে প্ৰকোপ বৃদ্ধি কৰা পৰিস্থিতিসমূহ উপশমন কৰা পৰিস্থিতিসমূহকৈ অধিক গুৰুত্বপূৰ্ণ। এই আদালতত দুখন আবেদন দাখিল কৰা হৈছে – মিশ্যন শুক্লবৈদ্যৰ দ্বাৰা দাখিল কৰা ফৌজদাৰী আবেদন সংখ্যা ৮৭১/২০০৬ আৰু উত্তম চক্ৰৱৰ্তীৰ দ্বাৰা দাখিল কৰা ফৌজদাৰী আবেদন সংখ্যা ৮৬৯/২০০৬।

৫) আমি পক্ষসমূহৰ বিজ্ঞ অধিবক্তাৰ বক্তব্য শুনিছো আৰু তথ্যসমূহৰ ভালদৰে চালি-জাৰি চাইছোঁ। এয়া সত্য যে মূল সাক্ষ্য অভিযোজন পক্ষৰ ১ নং সাক্ষী ১৫ বা ১৬ বছৰীয়া ছোৱালী পঞ্চমী শুক্লবৈদ্যই হ'লহেঁতেন, যিগৰাকী, স্বীকাৰ কৰা অনুসৰি মিশ্যন শুক্লবৈদ্য আৰু মৃতকৰ গৃহকৰ্মী আছিল। ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৪-ৰ অধীনত লিপিবদ্ধ কৰা তেখেতৰ সাক্ষ্যত তেওঁ অভিযোজন পক্ষৰ ভাষ্য সমৰ্থন কৰিছিল, কিন্তু, অভিযোজন পক্ষৰ ১ নং সাক্ষী হিচাপে সাক্ষ্য প্ৰদান কৰোতে তেওঁ পূৰ্বৰ ভাষ্যৰ পৰা আঁতৰি আহিছিল আৰু পূৰ্বতে কোৱা কথাৰ সম্পূৰ্ণ বিপৰীত স্থিতি অৱলম্বন কৰিছিল। ফৌজদাৰী প্ৰক্ৰিয়া সংহিতাৰ ধাৰা ১৬৪-ৰ অধীনত

লিপিবদ্ধ কৰা সাক্ষ্য বস্তুনিষ্ঠ সাক্ষ্য নোহোৱাৰ পৰিপ্ৰেক্ষিতত আমি আদালতত অভিযোজন পক্ষই প্ৰদান কৰা সাক্ষ্যহে বিবেচনা কৰিব লাগিব। বিচাৰ আদালত আৰু উষ্চ ন্যায়ালয় – এই দুয়োখন আদালতেই লক্ষ্য কৰিছে যে আবেদনকাৰীৰ বিপক্ষে থকা অন্য একমাত্ৰ সাক্ষ্য হৈছে অভিযোজন পক্ষৰ ৬ নং সাক্ষী হিচাপে থকা এক ৪ বা ৫ বছৰীয়া শিশুৰ সাক্ষ্য। অভিযোজন পক্ষৰ ৬ নং সাক্ষীয়ে অভিযোজন পক্ষৰ ভাষ্য সমৰ্থন কৰিছিল আৰু মূলতঃ তেওঁৰ সাক্ষ্যৰ দ্বাৰাই আবেদনকাৰীসকলক অপৰাধী সাব্যস্ত কৰা হৈছিল। লগতে নিম্ন আদালতসমূহে অভিযোজন পক্ষৰ ৫ নং সাক্ষী হিচাপে থকা মৃতকৰ মাতৃ নিয়তি ৰাণী দাসৰ সাক্ষ্যত অপৰাধৰ উদ্দেশ্য সমৰ্থিত সাক্ষ্য বিচাৰি পাইছে তথা বস্তুনিষ্ঠ প্ৰমাণ পাইছে যে দম্পত্তিহালৰ বৈবাহিক বাসভৱনতে হত্যাকাণ্ড সংঘটিত হৈছিল। তথাপিও আমাৰ মতামত এয়ে যে অভিযোজন পক্ষৰ ১ নং সাক্ষীৰ সাক্ষী স্বৰূপে বিশ্বাসযোগ্যতাৰ ওপৰত কোনো সন্দেহ কৰা হোৱা নাই যদিও **<u>সুৰেশ বনাম উত্তৰ প্ৰদেশ চৰকাৰ (১৯৮১) ২ এচ.চি.চি. ৫৬৯</u>**–ত নিৰীক্ষণ কৰা অনুসৰি এগৰাকী শিশু সাক্ষীৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি মৃত্যুদণ্ড প্ৰদান কৰাতো সম্ভৱতঃ অবিবেচকী হ'ব। ৰায়দান প্ৰদান কৰোতে আদালতখনে কৈছিল:

> "শিশুৱে প্ৰথমাৱস্থাত তেওঁলোকে যি দেখে তাৰ লগত তেওঁলোকে দেখা বুলি কল্পনা কৰি ভাল পোৱাটোক সানমিহলি কৰি পেলায় আৰু তাৰোপৰি, তেওঁলোকৰ ক্ষেত্ৰত অলপ প্ৰশিক্ষণ দিয়াটো অনিবাৰ্য যাতে তেওঁলোকৰ পথভ্ৰষ্ট হোৱাৰ প্ৰৱণতা থকা অসংলগ্ন চিন্তাসমূহক সুসংহতি তথা সামঞ্জস্যতা প্ৰদান কৰিব পাৰি। চৰম শাস্তিয়ে এনে প্ৰকাৰৰ সাক্ষ্যৰ পৰা মুখ্য সমৰ্থন প্ৰাপ্ত কৰিব নোৱাৰে যিবোৰ সত্য হ'লেও এক জীৱনৰ অন্ত পেলোৱাৰ বাবে কাৰ্যপন্থা গ্ৰহণ কৰিব পৰাকৈ নিৰাপদ নহয়।"

৬) এই ৰায়দান **<u>ৰাজা ৰাম যাদৱ আৰু অন্যান্য বনাম বিহাৰ চৰকাৰ (১৯৯৬) ৯ এচ.চি.চি. ২৮৭</u>**–টো অনুসৰণ কৰা হৈছিল য'ত একেধৰণৰ পৰ্যবেক্ষণ কৰা হৈছে। সেয়েহে আমাৰ মতামত এয়ে যে যদিও মিশ্যন শুক্লবৈদ্যৰ দোষী সাব্যস্তকৰণ বাহাল ৰাখিব লাগিব, আৰু তেওঁৰ অপৰাধ সঁচাকৈয়ে ভয়ংকৰ আছিল, তথাপিও মৃত্যুদণ্ডৰ

আদেশটো আজীৱন কাৰাবাসলৈ ৰূপান্তৰিত কৰা উচিত। আমি উপৰোক্ত যুক্তি অনুসৰি এক আদেশ প্ৰদান কৰিছো। সেই অনুসৰি ২০০৬-ৰ ফৌজদাৰী আবেদন সংখ্যা ৮৭১-ৰ নিষ্পত্তি কৰা হ'ল।

৭) আমি এতিয়া আবেদনকাৰী উত্তম চক্ৰৱৰ্তীৰ গোচৰটোৰ সন্দৰ্ভত আলোচনা কৰিম। আমি তেওঁক হত্যাকাণ্ডটোৰ সৈতে জড়িত থকাৰ সম্বন্ধে একেবাৰেই কোনো প্ৰমাণ পোৱা নাই। অভিযোজন পক্ষৰ ৪ নং সাক্ষী ৰাধু পলে সাক্ষ্য দিছিল যে ঘটনা সংঘটিত হোৱা দিনা ৰাতি প্ৰায় ১০/১০:৩০ মান বজাত তেওঁ দুয়োগৰাকী আচামীকে কোনো বিষয়ে আলোচনা কৰি থকা দেখা পাইছিল আৰু তেওঁলোক সেই কাৰ্য কৰি থকাৰ সময়ত এগৰাকী ছোৱালী (অৰ্থাৎ অভিযোজন পক্ষৰ ১ নং সাক্ষী) চিঞৰ-বাখৰ কৰি বাহিৰলৈ ওলাই আহিছিল আৰু মিশ্যন শুক্লবৈদ্যক কৈছিল যে তেওঁৰ পত্নীৰ জুয়ে পুৰি আঘাতপ্ৰাপ্ত হৈ মৃত্যু হৈছে। আমি এয়া বুজিবলৈ অসমৰ্থ যে এই প্ৰমাণে আবেদনকাৰীক হত্যাকাণ্ডটোৰ সৈতে কেনেদৰে সংযুক্ত কৰিব পাৰে। অভিযোজন পক্ষৰ ৫ নং সাক্ষী অৰ্থাৎ মৃতকৰ মাতৃয়ে তেওঁ মৃতকৰ ওচৰ-চুবুৰীয়া হোৱাৰ বাহিৰে ঘটনাটোত তেওঁ জড়িত থকাৰ বিষয়ে এটা শব্দও কোৱা নাই। অভিযোজন পক্ষৰ ৬ নং সাক্ষীয়ে আবেদনকাৰীক আদালতত চিনাক্ত কৰিছিল কিন্তু দেখা দেখিকৈ তেওঁ আবেদনকাৰীক অভিযোজন পক্ষৰ ৪ নং সাক্ষী ৰাধু পল বুলি ভুল কৰিছিল, যিটো তেওঁৰ সাক্ষ্যৰ পৰা স্পষ্ট। এই বিষয়ৰ পৰিপ্ৰেক্ষিতত আমি এই সিদ্ধান্তত উপনীত হৈছো যে আবেদনকাৰী উত্তম চক্ৰৱৰ্তীক দোষী সাব্যস্ত কৰা আদেশ বাহাল ৰাখিব নোৱাৰি। সেই অনুসৰি আমি ২০০৬-ৰ ফৌজদাৰী আবেদন সংখ্যা ৮৬৯ মঞ্জুৰ কৰিছোঁ, তেওঁক দোষী সাব্যস্ত কৰা তথা দণ্ডৰ আদেশ খাৰিজ কৰিছোঁ, আৰু নিৰ্দেশ

দিছোঁ যে তেওঁক লগে লগে মুক্তি দিয়া হওঁক যদিহে তেওঁ অন্য কোনো গোচৰৰ সৈতে জড়িত নহয়।

**.................................... ন্যায়াধীশ**

**(হৰজিৎ সিং বেদী)**

**.................................... ন্যায়াধীশ**

**(চন্দ্ৰমাউলি কুমাৰ প্ৰসাদ)**

**৬ এপ্ৰিল, ২০১০**

**নতুন দিল্লী।**

* * * * * * * *

অনুবাদ – ভাস্বতী গোস্বামী, কনিষ্ঠ অনুবাদক, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the

English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

("স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ'ব।")